TAKEN INTO STOCK
PAGE NO.............................
SIGNATURE...........................
DATE.................................

# প্ৰেৰণা

মুখপত্ৰ

অসমীয়া বিভাগ, স্নাতকোত্তৰ মহলা, বিকালী মহাবিদ্যালয়



তত্ত্বাৱধায়ক
ড° আল্‌পনা সৰকাৰ ডেকা

সম্পাদক
ধনমনি ৰাভা, গীতিকা ৰাভা,
ছামিম হুছেইন, ইমৰাণ হুছেইন

TAKEN INTO STOCK
PAGE NO....................
SIGNATURE....................
DATE....................
BIKALI COLLEGE LIBRARY DHUPDHARA

# প্ৰেৰণা

## মুখপত্ৰ

## অসমীয়া বিভাগ, স্নাতকোত্তৰ মহলা, বিকালী মহাবিদ্যালয়

BIKALI COLLEGE
DHUPDHARA
ESTD. 1982

তত্ত্বাৱধায়ক
ড° আল্পনা সৰকাৰ ডেকা

সম্পাদক
ধনমনি ৰাভা, গীতিকা ৰাভা,
ছামিম হুছেইন, ইমৰাণ হুছেইন

# ‘প্ৰেৰণা’

মুখপত্ৰ , অসমীয়া বিভাগ, স্নাতকোত্তৰ মহলা, বিকালী মহাবিদ্যালয়
প্ৰথম বছৰ, প্ৰথম সংখ্যা, প্ৰকাশ কাল ঃ ২৪ আগষ্ট, ২০১৮ চন

## ‘প্ৰেৰণা’ৰ সম্পাদনা সমিতি

সভানেত্ৰী
**ড° মলিনা দেৱী ৰাভা**

তত্ত্বাৱধায়ক
**ড° আল্পনা সৰকাৰ ডেকা**

সম্পাদক
**ধনমনি ৰাভা**
**গীতিকা ৰাভা**
**ছামিম হুছেইন**
**ইমৰাণ হুছেইন**

শিক্ষক সদস্য
**ড° ৰূপক কুমাৰ ৰাভা**
**ড° স্নিগ্ধা দাস**

সদস্য
**অদিতি ৰয়**
**ঋতুস্মিতা দাস**
**ডেইজী দাস**
**আয়ুব হুছেইন**
**সীমাশ্ৰী চৌধুৰী**
**জোনালী কলিতা**
**আজিজুল ৰহমান**
**সোণপাহি ইছলাম**
**আহাসান হাবিব মোল্লা**
**মাম্পি মণ্ডল**
**দিম্পী দাস**
**আল্‌কাৰিমা জেচমিন**

**মুদ্ৰণ ঃ**
শ্ৰীগণেশ প্ৰিন্টাৰ্ছ, শংকৰদেৱ মাৰ্কেট, নুনমাটি, গুৱাহাটী-৭৮১০২০
ফোন ঃ ৯৭০৭০১০৮৮৯

# উছৰ্গা

যিসকলৰ অক্লান্ত চেষ্টা আৰু ত্যাগে
বিকালী মহাবিদ্যালয়ক গঢ় দি
আজিৰ স্থানত উপনীত কৰালে
তেওঁলোকৰ হাতত
শ্ৰদ্ধাৰে ...

**সম্পাদনা সমিতি**

নগেন শইকীয়া
অৱসৰপ্ৰাপ্ত বেজবৰুৱা-অধ্যাপক ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়
NAGEN SAIKIA
Retd. Professor and Ex-MP

0373-2318796 (R)
094350-30340 (M)
email : nagendrasaikia@yahoo.co.in
nagensaikia1939@gmail.com

## শুভেচ্ছা সন্দেশ

বিকালী মহাবিদ্যালয়ৰ অসমীয়া স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ আলোচনীখনৰ 'প্ৰেৰণা' নামটো অৰ্থব্যঞ্জক হৈছে। স্নাতকোত্তৰ মহলাৰ ছাত্ৰ-ছাত্ৰীসকল তেওঁলোকৰ বিষয়ৰ প্ৰতি কেইবাটাও দিশত গভীৰতৰ চিন্তা-চৰ্চা কৰিবলৈ সদায় মনৰ ভিতৰৰপৰা অনুপ্ৰাণিত হৈ অধ্যয়ন কৰাৰ প্ৰয়োজন আছে। ভাষা আৰু ভাষাতত্ত্ব শাখাত অধ্যয়ন কৰাসকলে কেৱল নিজৰ ভাষাৰ বুৰঞ্জী জানিলেই নহ'ব, বিশ্বৰ ভাষা সৃষ্টিৰ বুৰঞ্জীৰ আভাসো ল'ব লাগিব। তদুপৰি, বিশেষকৈ যিদৰে ভাষাতত্ত্ব অধ্যয়ন নিজেই এটা গৱেষণাৰ কাম কৰাৰ দৰে বিষয়, তেনেদৰে সাহিত্য-শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সাহিত্যৰ অধ্যয়নো একেই চৰিত্ৰৰ। আমি দুয়োটাকে বেলেগে বেলেগে চালেও দুয়োটা শাখা অংগাংগীভাৱেই ইটোৰ লগত সিটো জড়িত। সাহিত্যতত্ত্ব অধ্যয়নৰ লগত ভাষাতত্ত্ব আৰু সমাজতত্ত্বৰ অধ্যয়নো এতিয়া গুৰুত্বপূৰ্ণ বিষয়স্বৰূপে গৃহীত হৈছে। এতেকে, জ্ঞানৰ আহৰণ আৰু ৰসৰ বিশ্লেষণ কৰাৰ ক্ষমতা ভাষা আৰু সাহিত্য দুয়ো সমানে দাবী কৰে। মই আশা কৰোঁ বিকালী মহাবিদ্যালয়ৰ 'প্ৰেৰণা'ই স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক জ্ঞান আৰু ৰস আহৰণ আৰু তাৰ স্বাদ গ্ৰহণ কৰিবলৈ যিদৰে প্ৰেৰণা যোগাব, ঠিক তেনেদৰে তত্ত্ব আৰু ৰসৰ বিচাৰ-বিশ্লেষণ কৰিবলৈও প্ৰেৰণা যোগাব। মই ছাত্ৰ-ছাত্ৰীসকলৰ এই 'প্ৰেৰণা' প্ৰকাশৰ প্ৰয়াসৰ প্ৰতি মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

২১ মে', ২০১৮

নগেন শইকীয়া

আবাস ঃ আশ্ৰয় / বৰ্ণমালা • শ্ৰীমন্ত পথ • জীৱন ফুকন নগৰ
ডিব্ৰুগড় ৭৮৬০০৩ • অসম

**Taranee Deka**, Ph.D
*Professor and Head*
Department of Assamese
Gauhati University
Guwahati-781014
Assam, India

127 University Campus
Gauhati University
Guwahati-781014
Assam, India
M. : 99548-41386
email : taraneedekagu.kc@gmail.com

প্ৰতি,
সম্পাদকমণ্ডলী
'প্ৰেৰণা'
স্নাতকোত্তৰ শ্ৰেণী, অসমীয়া বিভাগ
বিকালী মহাবিদ্যালয়, ধুপধৰা

২৭/০৫/২০১৮

## শুভেচ্ছা বাণী

মই জানিবলৈ পাই অত্যন্ত সুখী হৈছো যে বিকালী মহাবিদ্যালয় স্নাতকোত্তৰ শাখা (অসমীয়া) ৰ ছাত্ৰ-ছাত্ৰীসকলে 'প্ৰেৰণা' নামৰ এখনি বাৰ্ষিক আলোচনী উলিয়াবলৈ যো-জা কৰিছে। দ্বিতীয় ষাণ্মাসিকৰ পাঠ্যক্ৰমৰ অন্তৰ্গত 'সম্পাদনা' কাকতখনৰ অংশ হিচাপে ছাত্ৰ-ছাত্ৰীসকলে সৃষ্টিশীল সাহিত্যৰ বিভিন্ন দিশ সামৰি প্ৰস্তুত কৰা লিখনিসমূহ এই আলোচনীৰ মূল সম্পদ। বিভিন্ন ভাষা-ভাষী আৰু জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলৰ এনেধৰণৰ অসমীয়া সাহিত্যৰ চৰ্চা প্ৰসংশাৰ যোগ্য। তেওঁলোকৰ সীমিত সা-সুবিধাৰে যি প্ৰচেষ্টা কৰিছে সেয়া আনৰ বাবে প্ৰেৰণাৰ উৎস। আলোচনীখনৰ লগত জড়িত সকলো ছাত্ৰ-ছাত্ৰী, লেখক-লেখিকা তথা বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰী সকলক মই এই প্ৰচেষ্টাৰ বাবে শলাগ লৈছোঁ।

শ্ৰী তৰণী ডেকা

ড° মলিনা দেৱী ৰাভা
অধ্যক্ষা
বিকালী মহাবিদ্যালয়, ধূপধৰা

# শুভেচ্ছাবাণী

বিকালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ শিক্ষাৰ্থী সকলে বিভাগীয় শিক্ষকসকলৰ সহযোগিতাত 'প্ৰেৰণা' নামৰ এখনি মুখপত্ৰ প্ৰকাশৰ ব্যৱস্থা কৰিছে বুলি জানি সুখী হৈছো। দাপোনত যিদৰে প্ৰতিবিম্ব প্ৰতিফলিত হয় সেইদৰে মুখপত্ৰ 'প্ৰৰণা'ত বিকালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ গৌৰৱোজ্জ্বল ইতিহাস আৰু শিক্ষক শিক্ষাৰ্থীসকলৰ মনৰ খবৰ প্ৰকাশৰ এক সক্ৰিয় মাধ্যম হোৱাৰ উপৰি বৌদ্ধিক বিকাশৰ পথ প্ৰশস্ত কৰাত সহায় কৰিব বুলি আশা কৰিলোঁ।

শেষত জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে পৰস্পৰে পৰস্পৰক ভাল পাবলৈ তথা প্ৰতিকূল পৰিৱেশ নেওচি সাহস, শক্তি আৰু আত্মবিশ্বাসেৰে প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে অগ্ৰসৰ হৈ অসম আৰু অসমীয়া ভাষা সাহিত্যৰ প্ৰতি প্ৰতিজন শিশুক আকৃষ্ট কৰাৰ ক্ষেত্ৰত অবিৰত সংগ্ৰাম চলাই যোৱাৰ বাবে পথ প্ৰদৰ্শকৰ দায়িত্ব পালন কৰিব বুলি গভীৰ প্ৰত্যাশাৰে উদ্যোক্তা সকললৈ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

২৪ আগষ্ট/২০১৮ খ্ৰীষ্টাব্দ

ড° মলিনা দেৱী ৰাভা
অধ্যক্ষা
বিকালী মহাবিদ্যালয়, ধূপধৰা

অসমীয়া ভাষা-সাহিত্য আমাৰ স্বাভিমান আৰু আত্মমৰ্যাদাৰ প্ৰতীক
তাৰেই বাঙ্ময় ৰূপ

# যেন এটি অপৰাধ...

ছাহাৰুল ইছলাম

ভাষা সংস্কৃতি জাতি এটাৰ বাহক। ভাষাৰ প্ৰতি থকা চৰম অবহেলাই জাতি ধ্বংসৰ কাৰক হৈ পৰে। অসমীয়া বিষয়ৰ বাহিৰে অইন বিষয়ত অসমীয়া ভাষা সংস্কৃতিৰ বিষয়ে পাবলৈ টান। ই হাঁহি ধেমালিৰ বিষয় নহয়, জাতি এটাৰ এৰাব নোৱৰা অংগ।

"যিমান বিষয় আছে সকলোতকৈ সহজ বিষয় অসমীয়া" এই সদাব্যৱহৃত উক্তিটোৱে অসমীয়া ভাষাক ধ্বংসৰ ফালে লৈ গৈছে। অসমীয়া ইমান সহজ বিষয় হ'লে সকলোৱে প্ৰথম স্থান পালেহেঁতেন আৰু অসমৰ সকলোৱে এই ভাষা ব্যৱহাৰ কৰিলেহেঁতেন।

অসমীয়া এটা টান বিষয়, অজস্ৰ পঢ়িব লাগে, এই সাহিত্যত ভাৰত তথা পৃথিবীৰ সাহিত্য জড়িত হৈ আছে। ই এক মহাসমুদ্ৰ।

নিজে যাব নোৱাৰে নাই আনক বাধা নিদিব। অসমীয়া গভীৰ বিষয় কাৰণ ই এটা ভাষা, এটা সমৃদ্ধিশালী ভাষা....।

যেন এটি অপৰাধ হৈছে, শুনিলে মুখ কোচায়। মাধ্যমিক, উচ্চ মাধ্যমিকত প্ৰথম বিভাগো পালো কিন্তু মেজৰ ললো অসমীয়াত। বন্ধু-বান্ধৱী, সমাজৰ গুণী-জ্ঞানীয়ে মোক চৰ্চা কৰে যেন মই পথভ্ৰষ্ট হলোঁ। অসমীয়া বিষয় তৃতীয় বিভাগৰ ছাত্ৰ-ছাত্ৰীৰহে। বাটত লগ পোৱা পথিকেও কেতিয়াবা কয়- 'তুমি কি পঢ়ি আছা'? 'আৰ্টছত অসমীয়াত মেজৰ লৈছোঁ।' কোৱাৰ লগে লগে ক'লে তুমি জীৱনটো ধ্বংস কৰিলা, যেন মই..... জাতিদ্ৰোহী কাম কৰিছোঁ। সহজ সৰল মানুহেও Science আৰু Arts ৰ তুলনা কৰিব পৰা হৈছে।

অবহেলিত ভাবেৰে লাহে লাহে স্নাতক হলো, ইয়াতো আগৰ সংখ্যা ঠিকে ৰাখি প্ৰথম বিভাগ পালো। আনলৈ মন নিদি মোৰ কৰ্ত্তব্য কৰিয়ে আছোঁ---- অসমীয়া বিষয়ৰ প্ৰতি মানুহৰ অবহেলা তাৰ সোৱাদ লৈয়ে আছো, অত্যাধুনিকতাই অসমীয়া ভাষাৰ ওপৰত এক চামনিৰ সৃষ্টি কৰিছে, চাকৰিমুখী ধাৰণাই মানুহৰ মানসিকতা বিকৃত কৰিছে।

কলা বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে চাকৰি নাপায় ই কেৱল টাইম পাছ। চাৰিওফালে শিক্ষিত মানুহেৰে ভৰি পৰিছে কিন্তু 'অ' ফলা, 'ক' ফলা শুদ্ধকৈ কব নোৱাৰে।

জাতি ভাষাৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধাক বাহ্যিক কাৰকে অকণো হেলাব নোৱাৰিলে ... যিমানে বিহ পান কৰিছো সিমানে জাতি ভাষা সংস্কৃতিৰ বিষয়ে শিকাৰ চেষ্টা কৰিছোঁ।

অসমীয়া বিষয়ৰ ছাত্ৰ বুলি হতাশাত ভোগা নাই, মোৰো তো অইন বিষয় আছে, মেজৰ হে অসমীয়া ....

ফেৰ মৰা শক্তি অসমীয়াৰো আছে। অসমীয়া বিষয়ৰ শিক্ষকে আন বিষয়ৰ শিক্ষকতকৈ দৰমহা কমতো নাপায়.... জন্ম স্থানতে অসমীয়া ভাষা ককবকাই থাকে হাত ধৰা মানুহ নাই। অসমীয়া ভাষা সংস্কৃতি কলা কৃষ্টিৰ কাণ্ডাৰী দিনে দিনে নোহোৱা হৈ আহি আছে। পাশ্চাত্যৰ ভাষা সংস্কৃতিয়ে অসমীয়াক হেঁচি ধৰিছে, আৰু বিলুপ্তিৰ দিশত গতি কৰিছে? সঁচাকৈয়ে অসমীয়া মানুহৰ মানসিকতাৰ পৰিৱৰ্তন নহ'লে অসমীয়া ভাষা অসমতে এদিন এলাগী হ'ব।

●●●

# সম্পাদকৰ কলমেৰে .....

সময় পৰিৱৰ্তনশীল। সময়ৰ সৈতে মানুহৰ জ্ঞান, বুদ্ধি, চিন্তাচৰ্চাতো পৰিৱৰ্তন আহিছে। নতুন নতুন তত্ত্ব আবিষ্কাৰ হৈ আহিছে। প্ৰযুক্তি বিদ্যাই নতুন মোৰ লৈছে যদিও বৰ্তমান বিজ্ঞান প্ৰযুক্তিৰ মাজতো ধৰ্মীয় গোড়ামী, বৰ্ণবৈষম্য, উচ্চ-নীচ, জাত-পাতৰ ভেদাভেদ, অন্ধবিশ্বাস, কু-সংস্কাৰ একেবাৰে নোহোৱা হোৱা নাই। সমাজৰ পৰা এই অপায় অমংগলবোৰ দূৰ কৰি এখন শুদ্ধ আৰু নিকা সমাজ গঢ় দিয়াত ছাত্ৰ সমাজৰ দায়িত্ব অপৰিসীম। সমাজৰ পৰা এই অপায় অমংগল, দূৰ কৰাৰ এটা মূল উপায় হল সাহিত্য। কাৰণ সাহিত্যই যুগে যুগে সমাজক বাট দেখুৱাই আহিছে। তাৰ বাবে যুৱ প্ৰজন্মই হাতত কলম তুলি ল'ব লাগিব আৰু একো একোজন ছাত্ৰ-ছাত্ৰীৰ ইতিবাচক চিন্তাচৰ্চাৰে গঢ়ি উঠিব এখন উন্নত, দুৰ্নীতিমুক্ত, অৰ্থনৈতিকভাৱে স্বাৱলম্বী, শুদ্ধ আৰু সম্পূৰ্ণ নিকা সমাজ ব্যৱস্থা। গতিকে আমি ছাত্ৰ সমাজে আমাৰ ইতিবাচক চিন্তাচৰ্চা, জ্ঞান বুদ্ধিৰে এনে কিছুমান কাম কৰা উচিত যাৰ জৰিয়তে আমাৰ ভৱিষ্যত প্ৰজন্ম উপকৃত হয় আৰু আমাক লৈ গৌৰৱ কৰিব পাৰে। এইখিনিতে কবি নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটোৰ দুটাশাৰী মোৰ মনলৈ আহিছে-

"আমাৰ পলসে সাৰুৱা কৰক কলঙৰ দুয়ো কুল
আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সিৰলুত আমি সাৰ পাম।।"

সাহিত্য আৰু সংস্কৃতি একেটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি। সংস্কৃতিৰ সৈতে সাহিত্য ওতপ্ৰোতভাৱে জড়িত। সংস্কৃতিৰ মূল উপাদান হ'ল ভাষা। আকৌ ভাষা একোটাৰ মূল মেৰুদণ্ড হ'ল সাহিত্য। সাহিত্য অবিহনে ভাষা একোটা বেছিদিন জীয়াই নাথাকে। বেছি নালাগে আমি যদি কিছুমান প্ৰাচীন ভাষা অধ্যয়ন কৰো তেন্তে দেখিবলৈ পাম যে কিছুমান ভাষাত সাহিত্য সৃষ্টি নোহোৱাৰ ফলত কালৰ বুকুত হেৰাই গৈছিল। উদাহৰণস্বৰূপে চেক, হাংগেৰিয়ান, চাৰ্বীয়ান আদি ভাষাৰ কথা ক'ব পাৰো। বতমান সময়তো অসমীয়া ভাষালৈ সংকট নামি আহিছে। কাৰণ ইংৰাজী ভাষা প্ৰীতিয়ে অসমীয়া ভাষাক অসমীয়া মানুহৰ ওচৰতে এলাগী কৰাৰ উপক্ৰম হৈছে। আমি যদি সজাগ নহওঁ তেন্তে ভৱিষ্যতে অসমীয়া ভাষা সাহিত্যলৈ অন্ধকাৰ নামি অহাটো নিশ্চিত। গতিকে ভাষাৰ বন্তিগছি জ্বলি থাকিবলৈ হলে সাহিত্য সৃষ্টিৰ প্ৰয়োজন। জীৱন যদি কলা হয় সাহিত্য হ'ল সেই কলা প্ৰকাশৰ উপযুক্ত মাধ্যম। শাস্ত্ৰতো কৈছে-

সাহিত্য সংগীত কলাবিহীন ঃ।
সাক্ষাৎ পশু পুচ্ছ বিষাণহীন ঃ।।

-'সাহিত্য, সংগীত আৰু কলাবিহীন মানুহ নেজ নথকা পশুৰ দৰে।'



ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ আটাইতকৈ উপযুক্ত মাধ্যম হ'ল আলোচনী তথা মহাবিদ্যালয়ত প্ৰকাশিত পত্ৰিকা, সাহিত্য বিভাগৰ প্ৰতিযোগিতা ইত্যাদি। এইবোৰেই বহু কবি সাহিত্যিকৰ জন্ম দিয়ে। চৈয়দ আব্দুল মালিক, হোমেন বৰগোহাঞি, যোগেশ দাস আদি বেছিভাগ সাহিত্যিকৰে সাহিত্যিক জীৱন অংকুৰিত হৈছিল ছাত্ৰ জীৱনতেই। কলেজীয়া সাহিত্য প্ৰতিযোগিতাবোৰেই আছিল তেওঁলোকৰ প্ৰতিভা উন্মেষৰ প্ৰধান কাৰক। স্কুল কলেজৰ আলোচনীবোৰেই সাহিত্যিক জীৱনৰ কঠীয়াতলী। এই কথা চিন্তা ভাবনাৰে উদ্বুদ্ধ হৈ আমি আমাৰ সামান্য শকতিৰে আমাৰ চিন্তা চৰ্চাখিনি 'প্ৰেৰণা'ৰ বুকুত থৈ যাবলৈ অনুপ্ৰেৰণা লাভ কৰিছোঁ। আমাৰ সামৰ্থ কম কিন্তু ন্যূনতা পূৰণ কৰিবলৈ আমি আন্তৰিকতাৰে যত্ন কৰিছো।

যিসকলৰ বহুমূলীয়া লেখাৰে 'প্ৰেৰণা' উজ্জীৱিত হ'ল, সেইসকল লেখক-লেখিকালৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

যিসকল শিক্ষাগুৰুৰ আদৰ্শই আমাক আগুৱাই যোৱাত উৎসাহ যোগাইছে, তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সু-দিহা পৰামৰ্শেৰে আমাক বাট দেখুৱাই নিয়া আলোচনীখনৰ তত্ত্বাৱধায়ক ড° আল্‌পনা সৰকাৰ বাইদেউ, ড° স্নিগ্ধা দাস নাথ, ড° ৰূপক ৰাভা ছাৰ প্ৰমুখ্যে অসমীয়া বিভাগৰ সকলো অধ্যাপক- অধ্যাপিকালৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এই ছেগতে আলোচনীখনৰ সম্পাদনা সমিতিৰ সকলো সদস্য-সদস্যা তথা সম্পাদনা কাৰ্যত সহায় কৰা সকলো বন্ধুলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

এই আলোচনীখন প্ৰকাশযোগ্য কৰি উলিওৱাত লেখা সংগ্ৰহকে ধৰি বিভিন্ন কামত সহায় সহযোগিতা কৰাৰ লগতে অতি কম সময়ৰ ভিতৰত আলোচনীখন ছপা কৰি উলিয়াই দিয়া গণেশ প্ৰিণ্টাৰ্ছৰ স্বত্বাধিকাৰী প্ৰমুখ্যে প্ৰেছৰ অন্যান্য কৰ্মচাৰী বৃন্দলৈ আমাৰ বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

জয়তু প্ৰেৰণা,

জয়তু, অসমীয়া বিভাগ, বিকালী মহাবিদ্যালয়, ধুপধৰা

**ধনমনি ৰাভা**
**ইমৰাণ হুছেইন**
সম্পাদক মণ্ডলিৰ হৈ

# বিভাগীয় প্ৰধানৰ একাষাৰ........

বিকালী মৌজাৰ অৰ্ন্তগত ৫২ খন বৰ্তমান ৫৪ খন গাঁৱৰ ৰাইজৰ আশা ভৰষাৰ স্থল 'বিকালী মহাবিদ্যালয়' গোৱালপাৰা জিলাৰ পুবপ্ৰান্তৰ প্ৰহৰীস্বৰূপ ধূপধৰাত প্ৰতিষ্ঠিত উচ্চশিক্ষাৰ একমাত্ৰ অনুষ্ঠান। ইং ১৯৮২ চনত জন্মগ্ৰহণ কৰা এই শিক্ষানুষ্ঠানখনে অঞ্চলবাসী ৰাইজৰ আশা আকাঙ্খা পূৰণ কৰি আহিছে জন্মলগ্নৰ পৰাই। অকল শৈক্ষিক দিশতেই নহয়, বিকালী মহাবিদ্যালয়ৰ পাঁচবছৰীয়া পাঠ্যক্ৰম সমাপন কৰি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী যাতে পৰৱৰ্তী সময়ত দেশৰ একোগৰাকী সু-নাগৰিক হিচাপে আগবাঢ়ি যাব পাৰে তাৰবাবে মহাবিদ্যালয় পৰিয়াল প্ৰতিমুহূৰ্তত সচেষ্ট। ইয়াৰ বাবেই অসমৰ শিক্ষাজগতত পৰীক্ষাৰ ফলাফলৰ লগতে সুনাগৰিক গঢ়াৰ আন্তৰিকতাৰে বিকালী মহাবিদ্যালয় উজলি আছে। বিকালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ নিজস্ব কিছু বৈশিষ্ট্য আছে, তাৰে প্ৰথমটো হৈছে শিক্ষক-শিক্ষাৰ্থীৰ পাৰস্পৰিক মৰম আৰু শ্ৰদ্ধা তথা আন্তৰিকতা। তদুপৰি স্নাতকোত্তৰ মহলাত পঢ়িবলৈ অহা শিক্ষাৰ্থীসকল প্ৰত্যেকেই প্ৰাপ্তবয়স্ক। সেয়েহে তেওঁলোকৰ প্ৰতি শাসনৰ লগতে বন্ধুত্বসুলভ মনোভাব বৰ্তাই ৰখা হয়, যাতে শিক্ষাৰ্থীসকলে শিক্ষকৰ সৈতে একাত্মীয়তা অনুভৱ কৰে। যি আন্তৰিকতাই শিক্ষাদান আৰু শিক্ষাগ্ৰহণ কাৰ্যক আনন্দদায়ক কৰি শিক্ষাৰ্থীসকলৰ জীৱনৰ বাট মসৃণ কৰাত সহায় কৰে, সেইখিনি পাৰ্যমানে দিবলৈ আমি যত্ন কৰি আহিছোঁ। অৱশ্যে ইয়াৰ সুফল আমি লাভ কৰিছোঁ। কিয়নো বিকালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষাৰ্থীসকল অতি ভদ্ৰ, পৰিশীলিত আৰু আন্তৰিকতাৰে সমৃদ্ধ হৈ জীৱনৰ বাটত আগবাঢ়ি যায়। পাৰস্পৰিক শ্ৰদ্ধা আৰু মৰমেৰে বিভাগটো বৰ্তি থকা বাবে আমি আমাৰ জয়যাত্ৰা অব্যাহত ৰাখিব পাৰিছোঁ।

বৰ্তমান এই মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ বহুতো দুৰ-দূৰণিৰ পৰা শিক্ষাৰ্থীৰ আগমন ঘটিছে, ই অনুষ্ঠানখনৰ লগতে বিভাগটোৰো সাফল্যৰ বাৰ্তা কঢ়িয়াই অনা পৰিলক্ষিত হৈছে।

**অসমীয়া বিভাগ ঃ আশাৰ প্ৰদীপ**

অসমীয়া বিভাগ, এটি মাথোঁ বিভাগেই নহয়, এক গুৰু দায়িত্ব। জাতি-ভাষা-সংস্কৃতি-ঐতিহ্য ৰক্ষাৰ দায়িত্ব ন্যস্ত হৈ আছে এই বিভাগৰ ওপৰত। এতেকে অসমৰ মহাবিদ্যালয় সমূহৰ অসমীয়া বিভাগে এই দায়িত্ব মূৰ পাতি ল'বই লাগিব। তাৰ বাবে আমাক-

'সাঁচিপাতে ভাষা দিব
চিফুঙে আশা দিব
ৰংঘৰে মেলিব দুবাৰ।'

অসম আজি জগত সভালৈ আগুৱাই গৈছে যাৰবাবে সেয়েই হৈছে অসমীয়া ভাষা। সুজলা-সুফলা অসমী আইৰ মুখৰ অমাতৰ মাত। এই সুৱদী-সুৰীয়া ভাষাৰ লালন-পালন, পোষণ-বৰ্দ্ধনৰ দায়িত্ব অসমীয়া বিভাগৰে।

বিকালী মহাবিদ্যালয়ৰ জন্ম লগ্নৰে পৰা বাধ্যতামূলক অসমীয়া (MIL) আৰু ঐচ্ছিক অসমীয়া (ASL) এই দুয়োটা ভাগেৰে অসমীয়া বিভাগত পাঠদান কৰি থকা হৈছে। বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম আৰু পৰীক্ষা পদ্ধতিৰ নিয়মানুসাৰে পৰীক্ষা আৰু পাঠদান কাৰ্য সুচাৰুৰূপে পৰিচালিত হৈ আহিছে। পৰৱৰ্তী সময়ত অসমীয়া

বিষয়ক প্ৰধান বিষয় হিচাপে লৈ স্নাতক উপাধি গ্ৰহণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অসমীয়া বিষয়ৰ ফলাফল সদায় শ্ৰেষ্ঠ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বিকালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগে নিজৰ দক্ষতাৰে সুনাম কঢ়িয়াই আনিছে। প্ৰতিবছৰে এই বিভাগৰ পৰা বহুসংখ্যক শিক্ষাৰ্থীয়ে বাধ্যতামূলক অসমীয়া আৰু ঐচ্ছিক অসমীয়া দুয়োটা বিষয়তে শতকৰা আশী শতাংশ (৮০ %) ৰ অধিক নম্বৰ লাভ কৰি বিভাগটোৰ সুনাম বৰ্তাই ৰাখিছে। যদিও এই পৰিসংখ্যা উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ তথাপি এই সংখ্যাই বিভাগীয় শিক্ষক-শিক্ষাৰ্থীৰ কৰ্মনিষ্ঠা আৰু দক্ষতাৰেই পৰিচয় বহন কৰি আহিছে। অকল এয়ে নহয় প্ৰতিবছৰে স্নাতক চূড়ান্ত পৰীক্ষাত বহু ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া প্ৰধান বিষয়ত প্ৰথম শ্ৰেণী লাভ কৰি আহিছে। ইং ২০০৯ চনত এই শিক্ষানুষ্ঠানৰ ছাত্ৰ ৰুকুনুদ্দিন আহমেদে ৯৪ % শতাংশ নম্বৰেৰে উচ্চতৰ মাধ্যমিক পৰীক্ষাত অসমৰ ভিতৰতেই সৰ্ব্বোচ্চ নম্বৰ লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইং ২০১২ চনত ৰুকুনুদ্দিনেই অসমীয়া বিভাগত (প্ৰধান বিষয়) এই বিভাগৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰাৰ লগতে এতিয়ালৈকে অসমীয়া বিষয়ত ৰেকৰ্ড নম্বৰ পোৱাৰ যোগ্যতা অৰ্জন কৰি আছে। এই বছৰো স্নাতক চূড়ান্ত পৰীক্ষাত পাঁচ গৰাকী শিক্ষাৰ্থীয়ে অসমীয়া প্ৰধান বিষয়ত প্ৰথম শ্ৰেণী লাভ কৰিছে। অতি কম সংখ্যক অধ্যাপক-অধ্যাপিকাৰ দ্বাৰা পৰিচালিত অসমীয়া বিভাগৰ চূড়ান্ত পৰীক্ষাত সাফল্যৰ হাৰ শতকৰা এশ শতাংশ (১০০%)।

বিকালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ফলাফলৰ ধাৰাবাহিকতাত সন্তুষ্ট হৈয়েই গুৱাহাটী বিশ্ববিদ্যালয়ে ইং ২০১৩ চনৰ পৰা এই বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম খোলাৰ বাবে অনুমতি প্ৰদান কৰিছে। মাথোঁ বিছ (২০) গৰাকী শিক্ষাৰ্থীৰে আৰম্ভ কৰা স্নাতকোত্তৰ মহলাত প্ৰথম বছৰ আঠ (৮) গৰাকী শিক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈ এম.এ. পাছ কৰে যদিও তাৰে তিনি গৰাকী ছাত্ৰীয়েই প্ৰথম শ্ৰেণী (First Class) পোৱাৰ উপৰিও বুলুমণি ৰাভাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থী সকলৰ সৈতে ফেৰ মাৰি প্ৰথম দহ জনৰ ভিতৰত নিজৰ নাম খোদিত কৰিবলৈ সক্ষম হয়। প্ৰথম শিক্ষাবৰ্ষৰ বাকী সকলে কৰ্ম সংস্থান পোৱাৰ বাবে পৰীক্ষাত অৱতীৰ্ণ হোৱা নাছিল। উত্তীৰ্ণৰ শতকৰা হাৰ এশ শতাংশ। ইয়াৰ পিছৰ দুবছৰতো এই মহাবিদ্যালয়ত অসমীয়া বিভাগৰ শিক্ষাৰ্থীসকলে ফলাফলৰ ঐতিহ্যৰ ধাৰাবাহিকতা ৰক্ষা কৰি প্ৰথমশ্ৰেণী লাভ কৰি আহিছে। যোৱা ইং ২০১৭ চনৰ পৰীক্ষাতো মহিমাময়ী ৰায়ে প্ৰথম শ্ৰেণীৰ চতুৰ্থ আৰু ছামিম আহমেদে প্ৰথম শ্ৰেণীৰ ৬ষ্ঠ স্থান লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষাৰ ইতিহাসত বিকালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ নাম সোণালী আখৰেৰে লিপিবদ্ধ কৰি থৈছে। আমাৰ বাবে আটাইতকৈ আনন্দ আৰু গৌৰৱৰ কথা যে এতিয়ালৈকে আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ মহলাৰ কোনো শিক্ষাৰ্থীয়ে অকৃতকাৰ্য হোৱাৰ বেদনা বহন কৰিবলগীয়া হোৱা নাই। ইয়াৰ বাবে বিভাগীয় প্ৰধান হিচাপে মই অধ্যক্ষা মহোদয়া, অতিথি অধ্যাপক-অধ্যাপিকাসকল, বিভাগীয় অধ্যাপক-অধ্যাপিকাসকলৰ উপৰিও বিশেষভাৱে ধন্যবাদ জনাইছোঁ আমাৰ স্নাতকোত্তৰ মহলাৰ বাবে নিযুক্তি দিয়া দুগৰাকী অধ্যাপক-অধ্যাপিকা ড° ৰূপক কুমাৰ ৰাভা আৰু ড° স্নিগ্ধা দাসক। অতি সীমিত সংখ্যক শিক্ষকেৰে এই বৃহৎ বিভাগটো পৰিচালনা কৰা অতি দুৰূহকাম। এই কামৰ গুৰুদায়িত্ব মোৰ ওপৰত ন্যস্ত কৰি অধ্যক্ষা মহোদয়াই মোক কষ্ট দিছে সঁচা; আনন্দ পাইছোঁ তাতোকৈ বহুত বেছি। অধ্যক্ষা মহোদয়াক কৃতজ্ঞতা যাচিছোঁ।

বিভিন্ন সময়ত আমি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অতিথি অধ্যাপক আমন্ত্ৰণ কৰি আনিছো আমাৰ শিক্ষাৰ্থীসকলক উদ্দীপনা যোগোৱাৰ উপৰিও বিশ্ববিদ্যালয়ৰ পাঠদান প্ৰক্ৰিয়াৰ সৈতে সংগতি ৰাখিবৰ বাবে। ইয়াৰ উপৰিও প্ৰয়োজন সাপেক্ষে আমাৰ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী ড° অনন্যা বৰুৱা (লোক সংস্কৃতি), ড° মনালিছা ৰায় চৌধুৰী (ইংৰাজী) আৰু অধ্যাপিকা ৰাজলক্ষ্মী হাজৰিকাক (ইংৰাজী) বিশেষ

বিশেষ বিষয়ৰ পাঠদান কৰিবলৈ দায়িত্ব দিয়া হৈছে। আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মলিনা দেৱী ৰাভাই প্ৰশাসনিক কামৰ ব্যস্ততাৰ মাজতো সময় উলিয়াই শ্ৰেণীত পাঠদান কৰিছে। যি দুগৰাকী ব্যক্তিয়ে তেওঁলোকৰ বয়সক হেলাৰঙে জয় কৰি সমগ্ৰ ষাম্মাসিক জুৰি আমাৰ শিক্ষাৰ্থীসকলক পাঠদান কৰি আমাক কৃতাৰ্থ কৰি আহিছে যোৱা পাঁচ বছৰে তেওঁলোক হ'ল - দুধনৈ মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক শ্ৰীযুত ক্ষীৰোদ খাখলাৰী (অসমীয়া) আৰু অধ্যাপক শ্ৰীযুত অশোক কুমাৰ ভট্টাচাৰ্য (ইংৰাজী) মহোদয়। তেওঁলোকক আমাৰ কৃতজ্ঞতা জনাইছোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উপৰিও আমাক বিশেষভাৱে সহায় কৰিছে লোক সংস্কৃতি বিভাগৰ অৱসৰ প্ৰাপ্ত অধ্যাপক ড° প্ৰবীন দাস ছাৰে। আমাৰ স্নাতকোত্তৰ মহলা বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ তদানীন্তন মুৰব্বী ড° দীপ্তিফুকন পাটগিৰি বাইদেৱে আমাক কৃতাৰ্থ কৰিলে। তদুপৰি বিভিন্ন দিহা পৰামৰ্শৰে আমাক যোৱা বছৰবোৰত সহায় কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ আটাইকেইগৰাকী অধ্যাপক-অধ্যাপিকাৰ উপৰিও তদানীন্তন বিভাগীয় প্ৰধান ড° তৰণী ডেকা মহোদয়ে উৎসাহ-উদ্দীপনা যোগোৱাৰ উপৰিও আমাক প্ৰতি ক্ষেত্ৰতে সহায় কৰিছে তাৰ বাবে আমি কৃতজ্ঞ। এই আপাহতে ওপৰত উল্লেখ কৰা আটাইকে আমি আমাৰ কৃতজ্ঞতা আৰু শ্ৰদ্ধা নিবেদন কৰিলোঁ।

'প্ৰেৰণা'ৰ অনুপ্ৰেৰণা ......

'প্ৰেৰণা'ৰ অনুপ্ৰেৰণা আমাৰ শিক্ষাৰ্থীসকল। মোৰ নিজস্ব দৰ্শন হ'ল -'কি পাইনি তাৰ হিসাব মিলাতে মন মোৰ নহে ৰাজি। ' যি পাইছোঁ সেয়ে মোৰ বাবে শ্ৰেষ্ঠ সম্পদ। কিন্তু স্নাতকোত্তৰ মহলা আৰম্ভ কৰাৰ পিছত আমাৰ অনুভৱ হ'ল যে এই ছাত্ৰ-ছাত্ৰী সকলৰ মাজত প্ৰতিভা আছে, সেইখিনি বিচাৰি উলিওৱাৰ দায়িত্ব আমাৰ। সেয়েহে তেওঁলোকক কেন্দ্ৰ কৰি প্ৰথমটো বছৰৰ পৰাই আমাৰ সপোন দেখাৰ আৰম্ভণি। কিন্তু সীমিত সংখ্যক লেখাৰে আলোচনী এখন প্ৰকাশ কৰাটো সম্ভৱ নহয় বাবে পাঁচ বছৰৰ ফচল একত্ৰিত কৰি 'প্ৰেৰণা'ক বাস্তৱ ৰূপ দিবলৈ যত্ন কৰা হ'ল। তদুপৰি শিক্ষাৰ্থীসকলক অসমৰ বিভিন্ন ঠাইলৈ শিক্ষামূলক ভ্ৰমণৰ বাবে লৈ যোৱা হয়। এনেকৈয়ে অসমৰ বিষয়ে তেওঁলোকক জ্ঞান লাভ কৰিবলৈ সুবিধা দিয়া হয়। এই শিক্ষামূলক ভ্ৰমণৰ ভিতৰত যোৱাবেলি নাট্যকৰ্মী শুক্ৰাচাৰ্য্য ৰাভাৰ সপোনস্থলী 'বাদুংদুপ্পা কলা কেন্দ্ৰ'লৈ লৈ যোৱা হয়; য'ত শিক্ষাৰ্থীসকলে তেওঁলোকৰ দ্বাৰা অভিনীত নাটক চোৱাৰ উপৰিও শুক্ৰাচাৰ্য্য ৰাভাৰ পৰা তেওঁৰ নাটকৰ পৰীক্ষা নিৰীক্ষাৰ বিষয়ে জানিব পাৰে। এই ভ্ৰমণ আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনত চিৰদিন খোদিত হৈ ৰ'ব।

শিক্ষাৰ্থীসকলক কথা দিছিলো তেওঁলোকৰ মনৰ ভাব খিনি লেখাৰূপেৰে ছপা আখৰত তেওঁলোকৰ হাতত তুলি দিম। তাৰ বাবে আমাৰ এই প্ৰচেষ্টা। 'প্ৰেৰণা'ত সন্নিবিষ্ট লেখাবোৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ ভাবহে; আমি এই লেখাবোৰ সৰ্বাংগসুন্দৰ হৈছে বুলি দাবী নকৰোঁ। কিন্তু এটা কথা সঁচা যে যোৱা (২০১৬-১৭) শিক্ষাবৰ্ষৰ পৰা হঠাতে গুৱাহাটী বিশ্ববিদ্যালয়ে নতুন পাঠ্যক্ৰম (CBCS) প্ৰৱৰ্তন কৰিলে। এই পাঠ্যক্ৰমত কিছু নতুন প্ৰকল্প সন্নিবিষ্ট হ'ল। তাৰে Creative Writings আৰু অনুবাদৰ প্ৰকল্প আমাৰ হাতত থকাখিনিৰ পৰাও বাছি বাছি কিছু লেখা 'প্ৰেৰণা'ত সন্নিবিষ্ট কৰা হৈছে, যাতে ভৱিষ্যতৰ শিক্ষাৰ্থী সকলে ইয়াৰ পৰা প্ৰেৰণা লাভ কৰে। ইয়াৰ উপৰিও প্ৰথম বছৰৰ পৰাই প্ৰতিবছৰে 'স্ৰোতস্বিনী' নামেৰে এখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি থকা হৈছে যাতে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ মনৰ ভাব প্ৰকাশ কৰিবলৈ সুবিধা পায়।

আমাৰ উদ্দেশ্য মহৎ, কিন্তু এই মহত্বক ৰূপদান কৰাৰ আৰ্থিক সংগতি আমাৰ নাই। সেয়েহে অতি সীমিত সামৰ্থৰে সীমিতভাৱে 'প্ৰেৰণা'ক সজাই তোলা হ'ল। প্ৰথম বছৰৰ পৰা পৰালৈকে শিক্ষাৰ্থীসকলৰ তালিকা আৰু পোহৰ ছবি সন্নিবিষ্ট কৰা হ'ল। আশা কৰিছো এইখিনি ভৱিষ্যতে বিকালী মহাবিদ্যালয়ৰ

শৈক্ষিক দিশত তথ্য হিচাপে পৰিগিণিত হ'ব। আমাৰ আশাই আকাশ ধিয়ায়, কিন্তু সামৰ্থ অতি সীমিত। সেয়েহে আমাৰ সাধ্যানুসৰি সজাই 'প্ৰেৰণা'ক শিক্ষাৰ্থীসকলৰ হাতত তুলি দিয়া হ'ল। যিসকল ছাত্ৰ-ছাত্ৰীয়ে 'প্ৰেৰণা'ক সজাইছে তেওঁলোকলৈ মৰম যাচিছোঁ। আমাৰ অনুৰোধ ৰক্ষা কৰি অসমৰ স্বনামধন্য পণ্ডিত মোৰ গৱেষণা গুৰু ড° নগেন শইকীয়া ছাৰে প্ৰেৰণ কৰা শুভেচ্ছাবাণীৰ বাবে ছাৰক মই ভক্তিনম্ৰ কৃতজ্ঞতা জনাইছোঁ। 'প্ৰেৰণা'ক পোহৰ দেখুওৱা শ্ৰীগণেশ প্ৰিণ্টাৰ্ছৰ স্বত্বাধিকাৰী শ্ৰী প্ৰতুল ভট্টাচাৰ্য আৰু কৰ্মীবৃন্দলৈ ধন্যবাদ থাকিল। 'প্ৰেৰণা'ই যদি ভৱিষ্যতে লেখা-মেলা কৰিবলৈ ছাত্ৰ-ছাত্ৰী সকলক অনুপ্ৰাণিত কৰিব পাৰে, যদি অসমীয়া ভাষা-সাহিত্যক চহকী কৰিবলৈ এগৰাকীয়েও কলম হাতত তুলি লয় আমাৰ যত্ন সফল হোৱা বুলি গণ্য কৰিম।

'প্ৰেৰণা' যুগমীয়া হওঁক
এই আশাৰে
জয়তু বিকালী মহাবিদ্যালয়
জয়তু অসমীয়া বিভাগ

**আল্‌পনা সৰকাৰ**
বিভাগীয় প্ৰধান, অসমীয়া বিভাগ

'উঠি অহা যুৱক-যুৱতীসকললৈ আমাৰ সবিনয় আহ্বান ঃ নিজৰ ভাষাটো শিকি লোৱা, অধ্যয়নৰ পৰিসৰ বঢ়োৱা, একোটাহঁত গঠনমূলক কামত লাগা, অভিজ্ঞতাৰ বিচাৰ কৰি চোৱা। জীৱন কি হোৱা উচিত সেয়া গুৰুত্বপূৰ্ণ প্ৰশ্ন। কিন্তু জীৱনটো কি তাকেই আগতে ভাষাৰে প্ৰকাশ কৰা। সমাজ পৰিৱৰ্তনত সেয়ে হ'ব তোমালোকৰ বিশিষ্ট ভূমিকা।'

**মহেশ চন্দ্ৰ দেৱগোস্বামী**